# India’s participation in the video conference of SAARC Health Ministers on COVID-19 hosted by Pakistan

April 23, 2020

## পাকিস্তানৰ দ্বাৰা কভিড-19 ৰ ওপৰত আয়োজন কৰা ছাৰ্ক স্বাস্থ্য মন্ত্ৰীৰ ভিডিঅ কনফাৰেন্সত ভাৰতৰ অংশগ্ৰহণ

এপ্ৰিল 23, 2020

23 এপ্ৰিল 2020 তাৰিখে পাকিস্তানৰ দ্বাৰা কভিড-19-ৰ ওপৰত আয়োজন কৰা ছাৰ্ক স্বাস্থ্য মন্ত্ৰীৰ ভিডিঅ কনফাৰেন্সত ভাৰতৰ হৈ অংশগ্ৰহণ কৰে স্বাস্থ্য সেৱাৰ মহা নিৰ্দেশক আৰু তেখেতক সহযোগ কৰে অখিল অখিল ভাৰতীয় আয়ুৰ্বিজ্ঞান সংস্থা, নতুন দিল্লী আৰু চিকিতসা গৱেষণাৰ ভাৰতীয় পৰিষদৰ বিশেষজ্ঞসকলে। অধিক সংখ্যক ছাৰ্ক ৰাষ্ট্ৰসমূহে অধিকাৰীক স্তৰত প্ৰতিনিধিত্ব কৰে।

এই অনুষ্ঠানটি 26 মাৰ্চ 2020 তাৰিখে ভাৰতৰ উদ্যোগত অনুষ্ঠিত হোৱা জ্যেষ্ঠ স্বাস্থ্য বিশেষজ্ঞসকলৰ ভিডিঅ কনফাৰেন্সৰ অনুসৰণত কৰা হৈছিল, যি কভিড-19-ৰ বিৰুদ্ধে বৃহত্তৰ আঞ্চলিক সহযোগিতাৰ প্ৰচাৰৰ কাৰণে এক কাৰ্যক্ষম আৰু ফলাফলভিত্তিক অনুশীলন হিচাপে প্ৰমাণিত হৈছিল।

26 মাৰ্চত ভাৰতে ভিডিঅ কনফাৰেন্স যোগে কৰা ব্ৰিফিঙৰ ওপৰত ভিত্তি কৰি বৰ্তমান কভিড-19 পৰিস্থিতি সম্পৰ্কে ভাৰতবৰ্ষৰ ব্যাপক সঁহাৰিৰ ওপৰত এক বিস্তৃত খাতা প্ৰস্তুত কৰে আৰু লগতে ভাৰতে প্ৰয়োজনীয় সামগ্ৰী আৰু ঔষধ উত্পাদন আৰু দৰৱ আৰু ভেকছিন সম্পৰ্কিত গৱেষণাৰ ওপৰত ক্ষমতা বৃদ্ধি উল্লেখ কৰে। বৈঠকত ভাৰতে সমূহীয়া প্ৰচাৰ আৰু হস্তক্ষেপক সৰ্ব্বাধিক কৰাৰ কাৰণে মোবাইল এপ ‘আৰোগ্য সেতু’ৰ জৰিয়তে নতুন আৰু উদ্ভাৱনী প্ৰযুক্তিগত সমাধানসমূহৰ সফল ব্যৱহাৰ আৰু প্ৰতিশ্ৰুতিবদ্ধ ভৱিষ্যতৰ কথাও তুলি ধৰিছে।

15 মাৰ্চ 2020 তাৰিখে ছাৰ্ক নেতাসকলৰ লগত প্ৰধানমন্ত্ৰী মোডীয়ে কৰা ভিডিঅ কনফাৰেন্সৰ দ্বাৰা অঞ্চলত সহযোগিতা আৰু সংহতিৰ ভাৱনা তীব্ৰতৰ হৈ পৰিছে, যাৰ ফলত অঞ্চলৰ মানুহৰ দুৰ্ভোগ লাঘৱ কৰাৰ কাৰণে একাধিক কংক্ৰিট নিৰীক্ষণ ব্যৱস্থাৰ জৰিয়তে কভিড-19ৰ বিৰুদ্ধে যুঁজত অধিক অগ্ৰগতি দেখা গৈছে। ছাৰ্ক ক’ভিড-19 জৰুৰীকালীন পুঁজি স্থাপন আৰু ব্যৱহাৰ, ঘান্ধীনগৰ ছাৰ্ক দুৰ্যোগ ব্যৱস্থাপনা কেন্দ্ৰ (SDMC-IU)ৰ দ্বাৰা উন্নীত কৰা এটি উত্সৰ্গ ৱেবছাইটৰ নিৰ্মাণ আৰু বস্তৱ সময়ত যোগাযোগৰ কাৰণে স্বাস্থ্য আৰু বাণিজ্য কৰ্মকৰ্তাসকলৰ এককভাৱে নেটৱৰ্কিং প্ৰচাৰ দৃশ্যমান বাস্তৱ পদক্ষেপসমূহৰ ভিতৰ অন্যতম।

ভাৰতে সকলো ছাৰ্ক ৰাষ্ট্ৰসমূহে ব্যৱহাৰ কৰাৰ কাৰণে ‘ছাৰ্ক ক’ভিড-19 তথ্য বিনিময় প্লেটফৰ্ম (COINEX)’ক বিকশিত কৰে। পৰৱৰ্তী ডাঙৰ পদক্ষেপ হিচাপে, অঞ্চলৰ মনোনীত স্বাস্থ্য

পেছাদাৰসকলৰ মাজত কভিড–19ৰ ওপৰত বিশেষ তথ্য আৰু সৰঞ্জাম বিনিময়ৰ কাৰণে এই প্লেটফৰ্মটোৰ আৰম্ভ কৰা হব। COINEX–য়ে বিভিন্ন অনলাইন প্ৰশিক্ষণ সংস্থানসমূহ আৰু ই–লাৰ্ণিং মডিউলৰ সুবিধা প্ৰদান কৰিব।

ভাৰ্চুৱেল বৈঠকখন বৃহত্তৰ আঞ্চলিক কল্যাণৰ কাৰণে ক'ভিড –19ৰ বিৰুদ্ধে যৌথ যুঁজত জ্ঞান, দক্ষতা আৰু উত্তম অনুশীলনৰ বিনিময় কৰাৰ প্ৰতি ভাৰতৰ দৃঢ় প্ৰতিশ্ৰুতি পুনৰবাৰ নিশ্চিত কৰাৰ এটি সুযোগ।

**নতুন দিল্লী**
**এপ্ৰিল 23, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.